# নদৰাম

শৰৎচন্দ্ৰ গোস্বামী

১

১৯১৮ চনৰ অক্টোবৰ মাহৰ নিশা ন-দহ বজাৰ সময়ত আমি কেইজনমানে খোলা পোটিকোত বহি 'প্লেনচেট' ধৰিছিলোঁ। সেইবাৰ মহামাৰি ইনফ্লুৱেঞ্জাই তেতিয়াও তিমান পৰাক্ৰমেৰে দেখা দিয়া নাছিল ; গতিকে বতৰ অলপ জাৰ হ'লেও বাহিৰত বহিবলৈ ভয় বা অসুখ লগা নাছিল।

উপস্থিত মণ্ডলীৰ কোনোৱে ভূত মানে, কোনোৱে নামানে, কোনোৱে 'প্লেনচেট'ত ভূতৰ আৱিৰ্ভাৱ হয় বুলি বিশ্বাস কৰে, কোনোও 'প্লেনচেট'ক 'প্লেইন চিট' ( plain cheat ), 'সৰল-ফাঁকি' বুলি ভাবে।

এবাৰ প্লেনচেটটো ঘূৰি নদৰাম লিখিলোঁ, প্ৰশ্ন হ'ল—

তোমাৰ নাম ?

নদৰাম।

কি লাগে ?

ফ্ৰান্সত যুদ্ধ কৰিছোঁ।

ঘৰ ক'ত ?

গোৱালপাৰাত।

কি বিচাৰিছা ?

মোৰ তিৰোতা—

সকলোৱে গিৰ্জনি মাৰি হাঁহি মাৰি উঠিল। প্লেনচেট ধৰোঁতা দুজনৰ এজনে 'যা, যা তোৰ তিৰোতা ইয়াত নাই' এই বুলি 'প্লেনচেট' এৰি দিলে। অবিশ্বাসী দল আৰু সংশয়শূন্য হ'ল যে 'প্লেনচেট' এটা মস্ত বুজৰুকি !

তাৰ পাছত, ইনফ্লুৱেঞ্জাৰ প্ৰবল আক্ৰমণত আতঙ্ক আৰু ৰাতি নৰিয়া পতি কৰি থাকিব লগীয়া নোহোৱাকৈ যি দুই-চাৰিদিন আছিল, সেইকেইদিনৰ প্ৰত্যেক সন্ধ্যাবেলাতেই 'প্লেনচেট' ধৰোঁহক আৰু প্ৰত্যেক দিনেই নদৰামৰ

আৱিৰ্ভাৱ হয়। কিন্তু আমি কোনেও তাক আমোল নিদিওঁ—'প্লেনচেটে' নদৰাম লিখিলেই আমি হাত এৰা দিওঁ, নদৰামৰ বক্তব্য বৈ যায়।

২

প্ৰায় এবছৰৰ পাছত কাৰ্য-চক্ৰত পৰি এদিন নবেম্বৰ মাহৰ পুৱাবেলা গোৱালপাৰাৰ উত্তৰ শালমৰা বঙলাত বহি আছোঁ। আগৰদিনা অনেক ৰকমৰ কাম কৰি আহিছোঁ। মোৰ সঙ্গীজনৰ অলপ অসুখ; সেই দেখি সেই দিনটো প্ৰায় আজৰি। কেনেবাকৈ এবছৰৰ আগৰ 'প্লেনচেট' ধৰাৰ কথা মনত পৰিল—সেই নদৰাম, সি চিপাহী। এইবোৰ ঠাইৰে কোনোবা মেচ বা ৰাজবংশী চিপাহীৰ নাম নদৰাম নাইনে?

এনেতে চিপাহীৰ বুট পিন্ধা, ভৰিত ফিটা মেৰোৱা, মূৰত বুওৰ হেট, কঁকালত কুকৰী খুমৰি অঁৰা, ২২/২৩ বছৰ-বয়সীয়া, গোৰা বৰণৰ ডেকা ল'ৰা এটা ঘপৰ ঘপৰ কৰি বঙলাৰ ভিতৰলৈ সোমাই আহিল; আৰু এটা মিলিটাৰী চেলাম দি ওচৰতে থকা বেঞ্চি এখনত বহি পৰিল। মই আচৰিত হলোঁ। চৰকাৰী বিষয়াৰ অভিমানেও এটা খুন্দা খালে। মই অলপ বিৰক্ত হৈ সুধিলোঁ—

'কি লাগে?'

'দেউতা আপুনি অসমীয়ানেকি?'

'এৰা'—চৰকাৰী হাকিমসকলে এইবোৰ প্ৰশ্ন ভাল নেপায়, সেই দেখি অতি সংক্ষেপ উত্তৰ।

'বৰ ভাল হ'ল। মোৰ এখন আৰ্জি ল'ব লাগে। মোৰ মাইকী লৈ কিবা এটা কাজিয়া হৈছে।'

ওচৰতে পুলিচ থানা বঙলাৰ লগত লগা-লগি। মই বুজিলোঁ, মানুহটোৱে মোক দাৰোগা বুলি ভুল কৰিছে। এই কথা ভাবি বিৰক্তি আৰু অলপমান চৰিল। হাতেৰে দেখুৱাই কলোঁ—

'মোৱা থানা। এয়া নহয়' এই বুলি আগত থকা পুৰণি কাকতখন মেলি ল'লোঁ।

খবৰৰ কাকত দেখি মানুহটোৱে আৰু সুবিধাহে পালে। সি সুধিলে, 'দেউতা লড়াইৰ খবৰ কি?' মই নামাতি থাকিলোঁ। সি বুজিব পাৰিলে,

যে মই তাক আজিলা কৰিছোঁ। সি খপহ কৰে দিয়া দৈ কৈ উঠিল, 'উঃ, অসমীয়া মানুহেই অসমীয়া মানুহক নোৱাৰে যদি আনে কি কৰিব! থাউকে নেই।' এই বুলি খপ খপ কৰি ওলাই গ'ল।

মোৰ মনত অলপ অনুতাপ উপজিল; বুজিলোঁ হাকিমী মেজাজটো ভালদৰে নেখাটিল। মানুহজনক মাতি আনিলোঁ, বহিবলৈ দি সুধিলোঁ—

'তোমাৰ নাম কি?'

'নদৰাম!'

নদৰাম, মাইকীৰ মামলা! এবছৰৰ আগৰ সকলো স্মৃতি জাগি উঠিল!

'তুমি ফ্ৰান্সলৈ যুদ্ধলৈ গৈছিলানেকি?'

'হয়। সেউতাই কেনেকৈ জানিলে?'

তাৰ প্ৰশ্নৰ প্ৰতি কাণ নকৰি ক'লোঁ,—

'কোৱাঁচোন কোৱা, তোমাৰ মাইকীৰ বাবে কি কাজিয়া হৈছে!'

৩

নদৰামৰ কথাটো এই—

প্ৰায় দুবছৰ পূৰ্বে সি যুদ্ধলৈ যায়। যোৱাৰ ছমাহমানৰ আগতে তাৰ গাঁৱৰে ছোৱালী এজনী সি বিয়া কৰাইছিল। ছোৱালীজনী ৰূপহী; বহু দিন আগৰপৰা তাহাঁত দুইৰ জনা-শুনা।

ফ্ৰান্সৰ কোনোবা ঠাইত যুদ্ধ কৰি থাকোঁতে সি হঠাৎ এদিন চিঠি পালে, তাৰ ঘৈণীয়েক তাহাঁতৰ সমনীয়া আৰু লগৰীয়া ভাটিৰামৰ তালৈ গুচি গৈছে; বুঢ়া মাক-বাপেকৰ দুখৰ পাৰ-কূল নাই।

কমাণ্ডাণ্ট অফিচাৰক নদৰামে সকলো কথা ক'লে। অফিচাৰে তাৰ চিঠিখন লৈ জিলাৰ ডিপুটি কমিছনাৰলৈ পঠালে; কিন্তু আচল কথাটোৰ একো থা-থবৰ অনেক দিন নিমিলিল।

ইয়াৰ পিছত ফ্ৰান্সত থকা ভাৰতীয় সৈন্য ইজিপ্ট, মেছোপটেমিয়া প্ৰভৃতি ঠাই ঘূৰি ফুৰাৰ লগতে নদৰামেও অনেক দিন ঘূৰি ফুৰি মাহ-ডেৰমাহৰ আগতে ঘৰ পাইছেহি।

ঘৰ পায়েই তাৰ 'মামলা'টোৰ এটা মীমাংসা কৰিবলৈ 'চালিচ' চপাইছিল; কিন্তু ভাটিৰামে একো নামানে।

তাৰ দৈগীয়েক ভাটিৰামৰ ভালৈ যোৱাত নদৰামৰ তিমান আপত্তোছ নাই; কিয়নো ভাটিৰামৰ অৱস্থা ভাল, মানুহজন দেখন-শুননত চকুত লগা; আৰু আগৰপৰা ভাটিৰামৰ লগতো ছোৱালীটিৰ প্ৰীতি আছিল। কিন্তু আপত্তোছৰ কথা এই যে সি ঘৰত নথকাত মাক-বাপেকক ইমানখিনি দুখ দি তাই এনেটো কাম কৰিব নেলাগিছিল। সি লড়াইত ঘাইল হোৱা হ'লে মাক-বাপেকৰ দুৰ্দশা কি হ'লহেঁতেন!

কোৱা বাহুল্য যে এই কথাৰ মীমাংসা মোৰপৰা হ'বৰ একো সম্ভাৱনা নেদেখি নদৰামক থানালৈ যাবলৈ ক'লোঁ।

প্ৰায় এঘণ্টাৰ পাছত নদৰাম থানাৰপৰা ঘূৰি আহিল। থানাত সি সমিধান পালে যে আঠ-দহদিনৰ ভিতৰতে বৰচাহাব সেইবোৰ ঠাইলৈ আহিব; তাৰ কথাটো বৰচাহাবক মুখে মুখে ক'লে, চাহাবে তেতিয়াই তাৰ এটা সুমীমাংসা কৰিব।

নদৰামৰ ভাব, সি লড়াইৰপৰা অহা মানুহ, ৰজাৰ কাৰণে যুদ্ধ কৰি ফুৰোঁতে যদি আনে তাৰ তিৰোতা লৈ যাব লাগিল, তেনেহলে ৰজাৰ গৌৰৱনো ৰক্ষা পৰিল কেনেকৈ?

৪

জিলাৰ বৰচাহাব কি এটা ষ্টেচনত নামি তাৰ ওচৰতে ইন্‌স্পেকচন বঙলাতে আছেহি। নদৰামে তাৰ গোচৰ বৰচাহাবক জনালে। চাহাবে হুকুম কৰিলে যে তাহাঁতৰ নিজ গাঁৱত গৈ তেওঁ পাছদিনাই এই কথাৰ সু-মীমাংসা কৰিব।

*

গাঁৱত গাঁওবুঢ়া, মেম্বৰ প্ৰভৃতি অনেক লোক। বৰচাহাবে খোজ কাঢ়ি আহি সেইখিনি পালে। নদৰাম, ভাটিৰাম আৰু ছোৱালীটিক হাজিৰ কৰা হ'ল। চাহাবে গাঁওবুঢ়া আৰু নদৰামৰ বুঢ়া বাপেকৰপৰা কথাটো আঁতি-গুৰি মাৰি শুনিলে; শুনি হুকুম কৰিলে, 'ছোৱালীজনী এতিয়াই নদৰামৰ ঘৰলৈ যাব লাগে, আৰু ভাটিৰামক ধুবুৰীলৈ চালান দিব লাগে, তাত তাৰ বিচাৰ হৈ ফাটেক হ'ব। যদি খুচিমতে ছোৱালীয়ে নদৰামৰ ঘৰ নকৰে তেন্তে তাইকো ফাটেক দিয়া যাব।'

গধুলি, প্ৰায় সাঁজ পৰি হৈছে। বঙলাৰ বহল বাৰান্দাত ইজি চেয়াৰ এখনত বহি বৰচাহাব, ওচৰতে সৰু টিপয় এখনৰ ওপৰত সেউজীয়া আঁৰ দিয়া লেম আৰু বৰচাহাবৰ হাতত খবৰ কাগজ।*

মানুহ এজন মিলিটাৰী বুটৰ গেৰেপ-গেৰেপনি তুলি একেবাৰে চাহাবৰ সমুখত হাজিৰ—গতিবিধিত অলপো সঙ্কোচৰ ভাব নাই। চাহাবে কিছু বিৰক্ত হৈ সুধিলে,—'কোন?'

'হুজুৰ হাম্ নদৰাম হু।'

'কিয়া মাঙতা?'

'হুজুৰে ভাটিৰামক মাফ কৰি এৰি দিব লাগে।'

'ক্যা?'

'হুজুৰে ভাটিৰামক এৰি দিব লাগে।'

'ভাটিৰামতো তোমাৰ দুষ্মন্ আছে?'

'হয়, হুজুৰ। পাছে, তাই ছোৱালীজনী কান্দি-কাতি বিয়াকুল হৈছে। কিজানি ভাটিৰামক নাপালে তাই আত্মঘাতী হয়। কৈছে, বোলে তাইহে ভাটিৰামক এইবোৰ কৰিলে, ভাটিৰামৰ কিবা হ'লে তাই নিশ্চয় জীয়াই নেথাকে।'

'সেই মাইকী তোমাক নেলাগে?'

'লাগিলে কি হ'ব হুজুৰ! মোৰ লগত তাইৰ ৰাজী-খুচি নাহিল যেতিয়া, তাইক ৰাখি কি লাভ হ'ব? ভাটিৰামৰ লগতে থাকক!'

'তোমাৰ মোকৰ্দমা ভাল নেলাগেতো কৰিছিলি কেলেই?'

'হুজুৰৰ হুকুমে ৰজাৰ মান ৰাখিছে, মোৰো মান বচাইছে। এতিয়া মই নিজে খুচি হৈ এৰি দিছোঁ।'

'তোমাৰ বুড্ঢা মাও-বাপ?'

'বুড্ঢা মাও-বাপেকক্ হুজুৰ বুজাই দিম, ৰাজী-খুচি নহ'লে ছোৱালীৰে ঘৰ কৰি কি লাভ হ'ব?'

বৰচাহাব এক মুহূৰ্ত থমকি ৰ'ল! তাৰ পাছতে ক'লে, 'নদৰাম, তুমি সাচ্চা আদ্মি আছে। ভাটিৰামক আমি খালাচ দিব।'